**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-AUGUST-2026
**Time :** 12.05 PM

**ASSAMESE 12.05 PM BULLETIN**

——————————————————————————

**HEADLINES**

১। অবৈধ প্ৰব্ৰজনকাৰীক চিনাক্ত কৰি ততালিকে বিতাড়নৰ ব্যৱস্থা কৰিবলৈ গৃহমন্ত্ৰী অমিত শ্বাহৰ ৰাজ্যসমূহৰ আৰক্ষী সঞ্চালক প্ৰধান আৰু দেশৰ নিৰাপত্তা সংস্থাসমূহক নিৰ্দেশ।

২। কামৰূপ জিলাৰ বকোত নিৰ্মাণ হ'বলগীয়া দেশৰ প্ৰথমখন প্ৰতিবন্ধী বিশেষ বিশ্ববিদ্যালয়ৰ প্ৰাৰম্ভিক কাম আৰম্ভ।

৩। অসম আৰক্ষীৰ বিশেষ কৰ্মবাহিনীৰ হাইলাকান্দিত পাকিস্তানী সন্ত্ৰাসবাদী সংগঠনৰ এজন সদস্যক গ্ৰেপ্তাৰ।

**আৰু**

৪। প্ৰধানমন্ত্ৰীৰ কাইলৈ দেশৰ কমেও ডেৰহাজাৰটা স্থানত যুৱক-যুৱতী তথা খেলুৱৈৰ সৈতে ভাৰ্চুৱেল মত-বিনিময়। অসমৰো বিভিন্ন স্থানত এই কাৰ্য্যসূচী।

০০০০০০০

দেশত অনুপ্ৰৱেশ ৰোধৰ লগতে অবৈধ প্ৰব্ৰজনকাৰীক চিনাক্ত কৰি ততালিকে বিতাড়নৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যসমূহৰ আৰক্ষী সঞ্চালক প্ৰধান আৰু দেশৰ নিৰাপত্তা সংস্থাসমূহক নিৰ্দেশ দিছে। নতুন দিল্লীত দুদিনীয়াকৈ অনুষ্ঠিত নৰম ৰাষ্ট্ৰীয় কৌশল সন্মিলন ২০২৬ৰ সামৰণি অনুষ্ঠানত দিয়া ভাষণত গৃহমন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ নিৰাপত্তাজনিত প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত তথ্য বিশ্লেষণৰ পৰামৰ্শ দিয়ে। তদুপৰি ৰাষ্ট্ৰীয় নিৰাপত্তাজনিত প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে মান সম্পন্ন কাৰ্যপন্থা যুগুত কৰাতো তেওঁ গুৰুত্ব আৰোপ কৰে।

০০০০০০০

কামৰূপ জিলাৰ বকোত নিৰ্মাণ হ'বলগীয়া দেশৰ প্ৰথমখন প্ৰতিবন্ধী বিশেষ বিশ্ববিদ্যালয়ৰ বাবে প্ৰাৰম্ভিক কাম আৰম্ভ হৈছে। ইতিমধ্যে বিশ্ববিদ্যালয়খনৰ বাবে ভূমি হস্তান্তৰ প্ৰক্ৰিয়াও আৰম্ভ হৈছে। উল্লেখযোগ্য যে ২০১৮ চনত প্ৰতিবন্ধী সুৰক্ষা সংস্থাই অসমত এই বিশ্ববিদ্যালয় নিৰ্মাণৰ বাবে দাবী জনাইছিল। ইয়াৰ পাছত কেন্দ্ৰীয় চৰকাৰে বিশ্ববিদ্যালয়খন নিৰ্মাণ সন্দৰ্ভত প্ৰয়োজনীয় তথ্যসহ প্ৰতিবেদন দাখিল কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিয়ে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশমৰ্মে ৰাজ্য চৰকাৰে বকোত ৫০০ বিঘা ভূমিত বিশ্ববিদ্যালয়খন নিৰ্মাণৰ বাবে প্ৰদান কৰে। লোকনিৰ্মাণ বিভাগে প্ৰাথমিক কাম-কাজ আৰম্ভ কৰা বিশ্ববিদ্যালয়খনৰ নিৰ্মাণকাৰ্য শীঘ্ৰেই আৰম্ভ হ'ব। ৰাজ্য চৰকাৰৰ এই পদক্ষেপক প্ৰতিবন্ধী সুৰক্ষা সংস্থাই আদৰণি জনাইছে।

০০০০০০০০০

বিশেষ টাস্ক ফ'ৰ্চে হাইলাকান্দি আৰক্ষীৰ সহযোগত জিলাখনত অভিযান চলাই পাকিস্তানভিত্তিক সন্ত্ৰাসবাদী সংগঠন শ্বাহজাদ ভাট্টি নেটৱৰ্কৰ সৈতে জড়িত থকাৰ অভিযোগত আজি এজন লোকক গ্ৰেপ্তাৰ কৰে। লোকজনক হাইলাকান্দি জিলাৰ ৰামনাথপুৰ থানা এলেকাৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে। এই অভিযানকালত বিশেষ টাস্ক ফ'ৰ্চৰ দলে গ্ৰেপ্তাৰ কৰা ফজল ইছলাম বৰভূঞা নামৰ অভিযুক্তজনৰ পৰা ভালেখিনি আপত্তিজনক নথি-পত্ৰ জব্দ কৰিছে। উল্লেখযোগ্য যে বিশেষ টাস্ক ফ'ৰ্চে পূৰ্বে ধুবুৰী, চিৰাং আৰু বৰপেটা জিলাত শ্বাহজাদ ভাট্টি নেটৱৰ্কৰ তিনিজন সদস্যক গ্ৰেপ্তাৰ কৰিছিল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দেশৰ ডেৰ হাজাৰতকৈও অধিক স্থানত যুৱক-যুৱতী তথা খেলুৱৈৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে বাৰ্তালাপ কৰিব। এই অনুষ্ঠান 'খেল' ইণ্ডিয়া সম্বাদ - খেল কি বাত, পি এম কে সাথ' অভিযানৰ অধীনত অনুষ্ঠিত হ'ব। অহা ২৯ আগষ্টত হকীৰ যাদুকৰ মেজৰ ধ্যানচান্দৰ জন্মদিৱসৰ সৈতে সংগতি ৰাখি এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আই আই টি, দিল্লীত হ'বলগীয়া এই অনুষ্ঠানত কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়া উপস্থিত থাকিব। ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পি টি ঊষা তথা ভালেসংখ্যক আন্তঃৰাষ্ট্ৰীয় পদক বিজয়ী প্ৰাক্তন আৰু বৰ্তমানৰ খেলুৱৈসকলেও যুৱক-যুৱতীসকলৰ সৈতে এই বাৰ্তালাপত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া মন্ত্ৰালয়ৰ উদ্যোগত কাইলৈ দিনৰ ১০ বজাৰ পৰা এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। ৰাজ্যৰ টিহু মহাবিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে প্ৰধানমন্ত্ৰী শ্ৰী মোদীৰ সৈতে ভাৰ্চুৱেলী মত বিনিময় কৰিব।

এইমছ গুৱাহাটী, হাটশিঙিমাৰী মহাবিদ্যালয়, মানকাচৰ মহাবিদ্যালয়ৰ লগতে ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠানত এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। দক্ষিণ শালমৰাৰ মানকাছাৰ জিলাৰ হাটশিঙিমাৰী আৰু মানকাছাৰ মহাবিদ্যালয়ত হ'বলগীয়া এই কাৰ্য্যসূচী সন্দৰ্ভত আজি মহাবিদ্যালয়খনৰ এন এচ এচ গোটৰ কাৰ্য্যবাহী বিষয়া ড০ আব্দুল কৰিম শেখে সংবাদমাধ্যমক অৱগত কৰে।

০০০০০০০

আজি পৱিত্ৰ ঈদ মিলাদ-উন-নৱী। বিশ্ব নৱী হজৰত মহম্মদৰ জন্ম তিথি উপলক্ষে সমগ্ৰ দেশতে ইছলাম ধৰ্মাৱলম্বী লোকসকলে আজি এই পৱিত্ৰ উৎসৱ উদযাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই উৎসৱ উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে মিলাদ-উন-নৱী এনে এটি পৱিত্ৰ দিন, যিটো দিনত হজৰত মহম্মদৰ মহান বাণীসমূহ আকৌ এবাৰ সোঁৱৰণ কৰা হয়। তেওঁ কয়, যে হজৰত মহম্মদৰ বাণীসমূহে জনসাধাৰণক নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি অনুপ্ৰাণিত কৰি আহিছে। শ্ৰীমতী মুৰ্মুৱে জনসাধাৰণক হজৰত মহম্মদৰ বাণীসমূহ সৰোগত কৰি ৰাষ্ট্ৰ নিৰ্মাণৰ কামত অৱদান আগবঢ়াবলৈ আহ্বান জনাইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও মিলাদ-উন-নৱী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে এই উৎসৱে ভাতৃত্ববোধ আৰু আনন্দ কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। এই উৎসৱৰ জৰিয়তে দয়াৰ মনোভাৱে সমাজ আৰু ব্যক্তি জীৱন পৰিচালিত কৰিব বুলি শ্ৰীমোদীয়ে আশা প্ৰকাশ কৰে।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই উৎসৱ উদযাপন কৰা হৈছে। এই উপলক্ষে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰী মহাবিদ্যালয়ত বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা

হৈছে। জিলাখনৰ জ্যেষ্ঠ মৌলানা আব্দুল জুববাৰ কাছিমীয়ে শিক্ষানুষ্ঠানসমূহত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে বিশ্ব শান্তিৰ বাবে প্ৰাৰ্থনা কৰে। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এলানি প্ৰতিযোগিতাও অনুষ্ঠিত হৈছে।

oooooooo

প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত অসমত ৫ হাজাৰ কোটি টকাৰো অধিক ধন বিনিয়োগেৰে ৩ লাখ ৮০ হাজাৰ বাসগৃহ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কৃষি আৰু কৃষক কল্যাণ তথা গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানক নতুন দিল্লীত কৰা সাক্ষাৎকালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই ধনৰাশিৰ লগতে কৃষিখণ্ডৰ বাবে অতিৰিক্ত ১৩৯ কোটি টকাৰ অনুমোদন পত্ৰ প্ৰদান কৰে। ইয়াৰ অধীনত বানত ক্ষতিগ্ৰস্ত বাসগৃহসমূহ অগ্ৰাধিকাৰৰ ভিত্তিত পুনৰ নিৰ্মাণ কৰা হ'ব।

কেন্দ্ৰীয় চৰকাৰে ৰাজ্যৰ চাহ বাগিচাত গৃহ নিৰ্মাণৰ বাবেও সাহায্য প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ এই গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীচৌহানক কৃতজ্ঞতা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰক বানত ক্ষতিগ্ৰস্ত ৰাজ্যখনৰ ৰাষ্ট্ৰীয় ঘাইপথ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাইছে। কালি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে হোৱা সাক্ষাতৰ সময়ত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ ৰাজ্যখনৰ ক্ষতিগ্ৰস্ত পথসমূহ শীঘ্ৰেই মেৰামতি আৰু পুনৰ নিৰ্মাণ কৰাৰ লগতে ভৱিষ্যতে ক্ষতি কম হোৱাকৈ পথ, কালভাৰ্ট আৰু দলঙৰ নক্সা তথা নিৰ্মাণ পদ্ধতি অধিক বিজ্ঞানসন্মত কৰি তুলিবলৈ অনুৰোধ জনায়।

ooooooo

অসম সাহিত্য সভাৰ গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ সঙ্গীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা সদনত কালি বাচফৰ জনগোষ্ঠীৰ বিদ্যায়তনিক আৰু সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হয়। এই অনুষ্ঠানত জনগোষ্ঠীটোৰ শিল্পী সকলে চিৰ চেনেহী মোৰ ভাষা জননী গীতটি পৰিৱেশন কৰে। অনুষ্ঠানত অংশলৈ সভাৰ প্ৰাক্তন সভাপতি বিশিষ্ট সাহিত্যিক ডাঃ ধ্ৰুৱজ্যোতি বৰাই শিক্ষা গ্ৰহণৰ বাবে অংগীকাৰবদ্ধ হ'বলৈ জনগোষ্ঠীটোৰ লোকসকলক আহ্বান জনায়। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে নিজৰ ভাষণত বৈচিত্ৰ্যৰ মাজত ঐক্য থাকিলেহে অসমীয়া জাতি শক্তিশালী হ'ব বুলি মন্তব্য কৰে। সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই পাৰস্পৰিক মতভেদ, মতানৈক্য আঁতৰাই এক হ'বলৈ সকলোকে আহ্বান জনায়।

oooooo

প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণ উদ্যোগ আঁচনিৰ অধীনত অসমে শ্ৰেষ্ঠ ৰাজ্যিক বঁটা লাভ কৰিছে। নতুন দিল্লীত কালি আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী চিৰাগ পাছোৱানৰ পৰা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সঞ্চালক কুন্তল মণি শৰ্মা বৰদলৈয়ে এই বঁটা গ্ৰহণ কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ খাদ্য প্ৰ-সংস্কৰণ উদ্যোগ মন্ত্ৰালয়ৰ অধীনত প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰ-সংস্কৰণ উদ্যোগ আঁচনি ৰূপায়ণত ডিব্ৰুগড় জিলাই শীৰ্ষ প্ৰদৰ্শনকাৰী জিলা হিচাপে সফলতা অৰ্জন কৰিছে। ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে ২৯৬ টা ঋণৰ লক্ষ্য লৈ জিলাখনে ৪০৪ টা ঋণৰ অনুমোদন প্ৰদানেৰে ১৩৬ শতাংশ সফলতা লাভ কৰিছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে।

ooooooo

ৰাজ্য চৰকাৰে গুজৰাটৰ নগৰ পৰিকল্পনাৰ উদ্ভাৱনী দিশসমূহৰ অধ্যয়নৰ দ্বাৰা ৰাজ্যৰ ক্ৰমাৎ সম্প্ৰসাৰিত নগৰসমূহ উন্নয়নৰ বাবে পৰিকল্পনা লৈছে। গুজৰাট ভ্ৰমণকালত গ্ৰাহক পৰিক্ৰমা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে কালি ৰাজ্যখনৰ নগৰ উন্নয়ন বিভাগৰ সৈতে আলোচনাৰ পাছত এই বিষয়ে প্ৰকাশ কৰে। এই বৈঠকত পৰিকল্পিত নগৰ উন্নয়ন, নগৰ আন্তঃগাঁথনি, পৌৰ সেৱা আৰু নগৰ প্ৰশাসনৰ ক্ষেত্ৰত গুজৰাটৰ উদ্ভাৱনীমূলক পদ্ধতি সন্দৰ্ভত আলোচনা কৰা হয়। দ্ৰুতগতিত সম্প্ৰসাৰিত হৈ অহা নগৰ এলেকাৰ প্ৰেক্ষাপটত এই ব্যৱস্থাসমূহ অসমৰ ক্ষেত্ৰত প্ৰয়োগ আৰু অভিযোজনৰ সম্ভাৱনা লৈও বৈঠকত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে কালি গুজৰাটৰ কেইবাটাও বিভাগৰ প্ৰতিনিধিৰ সৈতে উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। তেওঁ আহমেদাবাদত নগৰ উন্নয়ন, পৌৰ প্ৰশাসন, চেনিৰ মূল্য নিয়ন্ত্ৰণ আৰু সমবায় চেনি উদ্যোগ সন্দৰ্ভত সংশ্লিষ্ট বিভাগসমূহৰ মন্ত্ৰীসকলৰ সৈতে কেইবাখনো বৈঠকত অংশগ্ৰহণ কৰে।

0000000

**সমাপ্ত**